৩ পৃষ্ঠাত ৪ পৃষ্ঠাত ১০ পৃষ্ঠাত

বাণী

...া জীৱনত ...া নাই, ইয়াৰ ...ওঁ শিকিবলৈ ...কৰা নাই।

— এৰিষ্টটল


# অসম আদিত্য

RNI RE...

Portal ...
e-mail ...

...খ্যা ২৩৪ ■ ১১ ভাদ, ১৯৪৮ শক ■ শনিবাৰ, ২৯ আগষ্ট, ২০২৬ ■ Asom Aditya, Dibrugarh, Saturday, August 29, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ প...


নেমুত... থকাৰ... কৰা... কৰাই...

## কানৈ মহাবিদ্যালয়ত বিশ্ব সংস্কৃত দিৱস উদ্‌যাপন



**ষ্টাফ ৰিপৰ্টাৰ, ২৮ আগষ্ট ঃ** সংস্কৃত ভাষা হৈছে বিজ্ঞান আৰু তথ্য প্ৰযুক্তিৰ এক নতুন দিগন্ত। সংস্কৃত ভাষাক কেৱল পৰম্পৰা আৰু ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ ভাষা হিচাপে সীমাবদ্ধ নাৰাখি আধুনিক জ্ঞান-বিজ্ঞান, প্ৰযুক্তি আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ সৈতে সংযোগ কৰিলেহে ভাৰতবৰ্ষই নিজৰ স্থিতি অটুত ৰাখিব পাৰিব। ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)- ৰ সংস্কৃত বিভাগ আৰু মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ যৌথ উদ্যোগত অনুষ্ঠিত 'বিশ্ব সংস্কৃত দিৱস'ত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আজি এইদৰে কয়। তেওঁ কয় যে, সংস্কৃত ভাৰতীয় সভ্যতা, জ্ঞান আৰু দৰ্শনৰ এক অমূল্য ভঁৰাল। কিন্তু সময়ৰ পৰিৱৰ্তনৰ সৈতে ভাৰততে সংস্কৃত ভাষাৰ ব্যৱহাৰ ক্ৰমাৎ সীমিত হৈ অহাটো চিন্তাৰ বিষয়। অধ্যক্ষগৰাকীয়ে কয়— পূজা-অৰ্চনা আৰু প্ৰাচীন পুথিৰ মাজতে সংস্কৃত ভাষাক আবদ্ধ কৰি ৰখাৰ পৰিৱৰ্তে আধুনিক শিক্ষা আৰু দৈনন্দিন জীৱনৰ সৈতে ইয়াক অধিক সংযুক্ত কৰাৰ প্ৰয়োজন আহি পৰিছে। বিশ্বৰ বিভিন্ন আগশাৰীৰ শিক্ষানুষ্ঠানত সংস্কৃত ভাষা, দৰ্শন, পাণ্ডুলিপি আৰু ভাৰতীয় জ্ঞান-পৰম্পৰাৰ ওপৰত চলি থকা গৱেষণাৰ কথা উল্লেখ কৰি তেওঁ কয়— জাৰ্মানীৰ বিভিন্ন বিশ্ববিদ্যালয়, অক্সফ'ৰ্ড, কেমব্ৰিজ, হাৰ্ভাৰ্ড, কলম্বিয়া, বাৰ্কলে আদি প্ৰতিষ্ঠানত সংস্কৃত ভাষা আৰু সাহিত্যৰ অধ্যয়ন আৰু ভাৰতীয় জ্ঞান-সম্পদৰ ওপৰত গৱেষণা চলি আছে। কানৈ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপিকা বিনী শইকীয়া আৰু ছাত্ৰ প্ৰণয় গগৈয়ে আঁত ধৰা অনুষ্ঠানটিত অধ্যক্ষ ড০ শইকীয়াই বিশেষভাৱে পাণিনিৰ 'অষ্টাধ্যায়ী'ৰ বৈয়াকৰণিক গাঁথনিৰ কথা উল্লেখ কৰি কয় যে সংস্কৃতৰ সু-সংগঠিত ব্যাকৰণে আধুনিক ভাষাতত্ত্ব, কম্পিউটাৰ বিজ্ঞান আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰতো গৱেষণাৰ নতুন সম্ভাৱনা সৃষ্টি কৰিছে। প্ৰাচীন ভাৰতীয় জ্ঞান-পৰম্পৰাক আধুনিক প্ৰযুক্তিৰ সৈতে সংযোগ কৰি নতুন প্ৰজন্মই ইয়াৰ পৰা উপকৃত হ'ব পাৰে বুলিও তেওঁ মত প্ৰকাশ কৰে। বিশ্বই সংস্কৃত ভাষাৰ প্ৰতি নতুন আগ্ৰহ প্ৰকাশ কৰাৰ সময়তে ভাৰতীয়সকলেও নিজৰ এই অমূল্য জ্ঞান-সম্পদক পুনৰুজ্জীৱিত কৰাৰ বাবে আগবাঢ়ি আহিব লাগে বুলি তেওঁ মত প্ৰকাশ কৰে। অনুষ্ঠানটিত উপস্থিত থাকি মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ অনুপজ্যোতি ভঁৰালীয়ে সংস্কৃত ভাষাৰ তাৎপৰ্যৰ বিষয়ে উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীসকলক সংস্কৃত ভাষা আৰু সাহিত্য অধ্যয়নৰ বাবে আহ্বান জনায়। সংস্কৃত ভাষা সংৰক্ষণ আৰু সংবৰ্ধনৰ প্ৰতি লক্ষ্য ৰাখি এনে অনুষ্ঠান আয়োজন কৰাৰ প্ৰয়োজনীতাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে আৰু দুয়োখন মহাবিদ্যালয়ৰ উদ্যোক্তাসকলৰ শলাগ লয়। অনুষ্ঠানটিত সমলব্যক্তি হিচাপে উপস্থিত থাকি বিবেকানন্দ কেন্দ্ৰ বিদ্যালয় ডিব্ৰুগড়ৰ শিক্ষক ৰূপেশ সিঙে সংস্কৃত ভাষা শিকাৰ প্ৰয়োজনীয়তাৰ ওপৰত উদাহৰণসহ আলোকপাত কৰে। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি কেন্দ্ৰীয় সংস্কৃত বিশ্ববিদ্যালয়ৰ অধীনৰ কানৈ মহাবিদ্যালয়ৰ সংস্কৃত শিক্ষণ কেন্দ্ৰৰ শিক্ষয়িত্ৰী বৈশাখী টিকদাৰৰ তত্ত্বাৱধানত অনুষ্ঠিত দৈনন্দিন জীৱনত প্ৰয়োজনীয় সা-সামগ্ৰীৰ সংস্কৃতৰ নামসহ এখন প্ৰদৰ্শনী উন্মোচন কৰে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। অনুষ্ঠানত ডিব্ৰুগড়স্থিত বিৰাজ আশ্ৰমৰ তৰফৰ পৰা বিগত বৰ্ষসমূহত দি অহাৰ দৰে ২০২৫-২৬ বৰ্ষৰ কানৈ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ পৰা সৰ্বোচ্চ নম্বৰসহ উত্তীৰ্ণ ছাত্ৰ যতীন্দ্ৰ সোনোৱালক মানপত্ৰ আৰু নগদ দহ হাজাৰ টকাৰ এখন চে'ক প্ৰদান কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ স্নাতক প্ৰথম যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে এখনি চুটি নাটক পৰিৱেশন কৰাৰ লগতে কানৈ মহাবিদ্যালয় আৰু মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলে সংস্কৃত কবিতা আবৃত্তি, শ্লোক পাঠ আৰু গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ পাৰ্থ গাংগুলী, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দীপংকজ গগৈ, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড০ জ্যোতি প্ৰসাদ ফুকনৰ লগতে দুয়োখন মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু দুই শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা বিনী শইকীয়াই।